# মনোৰমা দাস মেধিৰ গল্পত নাৰীৰ সমস্যা আৰু সামাজিক স্থিতি

জুনুমণি ডেকা

## সংক্ষিপ্তসাৰ

অতি প্ৰাচীন কালৰেপৰাই সাহিত্যৰ মাজেৰে নাৰী চৰিত্ৰৰ চিত্ৰণ হৈ অহা পৰিলক্ষিত হয়। ভাৰতীয় মহাকাব্য সমূহৰ পৰাই আৰম্ভ কৰি বৰ্তমান সময়ত ৰচিত বিভিন্ন সাহিত্যৰ মাজেৰে নাৰীৰ বিভিন্ন দিশ উদ্ভাসিত হৈ আহিছে। অসমীয়া চুটিগল্পসমূহো তাৰ ব্যতিক্ৰম নহয় । বেজবৰুৱাৰ 'সেউতী' 'ভদৰী' 'কাশিবাসী' আদিৰ পৰা আৰম্ভ কৰি বৰ্তমান সময়লৈকে বিভিন্নজন গল্পকাৰৰ গল্পত নাৰী সম্পৰ্কীয় ধ্যান-ধাৰণা মূৰ্ত হৈ উঠিছে। নাৰীৰ বিভিন্ন সমস্যা, সমাজত নাৰীৰ সংকুচিত স্থান, প্ৰেমহীন জীৱনৰ বিয়া-বাৰুৰ সমস্যা, বিবাহোত্তৰ কালত নাৰীয়ে পোৱা দুখ যন্ত্ৰণা, বৈধব্যৰ আৰ্তনাদ আদি নানান নাৰী সমস্যাজনিত বিষয় সম্বলিত গল্পৰ সৃষ্টি হয়। বিংশ শতিকাৰ শেষৰ ফালে মনোৰমা দাস মেধিয়েও তেওঁৰ ভালেমান গল্পত নাৰী সম্পৰ্কীয় বিভিন্ন সমস্যা উপস্থাপন কৰিছে। মনোৰমা দাস মেধিয়ে তেওঁৰ গল্পত সমাজত নাৰীৰ স্থান তথা নাৰীয়ে সন্মুখীন হোৱা বিভিন্ন সমস্যাসমূহ কেনেদৰে উপস্থাপন কৰিছে সেই সম্পৰ্কে এই প্ৰৱন্ধটিত আলোচনা কৰিবলৈ যত্ন কৰা হ'ব।

**বীজ শব্দঃ** চুটিগল্প, নাৰী, সমাজ, বেজবৰুৱা, নাৰী সমস্যা।

## আৰম্ভণি

পুৰুষ প্ৰধান সমাজ ব্যৱস্থাত নাৰী যুগে যুগে লাঞ্ছিতা – বঞ্চিতা- শোষিতা হৈ আহিছে । সকলো সমাজতে নাৰীৰ এনে সমস্যাই গা কৰি উঠা দেখা যায়। স্বকীয় ব্যক্তিসত্বা হিচাপে নাৰীয়ে প্ৰকৃত মৰ্যাদা এতিয়াও পোৱা নাই। পৰিৱৰ্তনশীল সমাজ ব্যৱস্থায়ো নাৰী সম্পৰ্কীয় ধ্যান-ধাৰণাৰ সলনি কৰিব পৰা নাই। এনেদৰে দিনে দিনে বঞ্চিতা লাঞ্ছিতা-শোষিতা হৈ অহা নাৰীৰ স্বাধীনতা সম্পৰ্কে এটা সময়ত চিন্তাবিদ সকল সচেতন হৈ উঠে। সমাজৰ এটা গুৰুত্বপূৰ্ণ অঙ্গ নাৰীৰ ব্যক্তিসত্বা অবিহনে সমাজৰ উন্নতি তথা বিকাশ সম্ভৱ নহয়। নাৰী সম্পৰ্কীয় এনে ধাৰণাক প্ৰথমে তেওঁলোকে নিজৰ ৰচনাৰ মাজেৰে ব্যক্ত কৰে। কাল ক্ৰমত চিন্তাবিদ সকলৰ এই ধাৰণাই এটা আন্দোলনৰ ৰূপ ধাৰণ কৰে। নাৰী মুক্তিৰ প্ৰয়াসেৰে গঢ়ি উঠা এই সাহিত্যিক আন্দোলনেই নাৰীবাদ।

ইংৰাজী ফেমিনিজম (Feminism) শব্দৰ অসমীয়া প্ৰতিশব্দ হিচাপে 'নাৰীবাদ' শব্দটি ব্যৱহাৰ কৰা হৈছে। "ফেমিনিজম' গ্ৰন্থৰ গ্ৰন্থাকাৰ জন ছাৰ্ভেৰ মতে নাৰীৰ পুৰুষৰ সৈতে সমতাৰ ধাৰণা বা ভাবেই নাৰীবাদ"।[১] নাৰীবাদ এক সাহিত্যিক আন্দোলন। সেয়ে নাৰী সম্পৰ্কীয় ধ্যান-ধাৰণাসমূহ বিশেষকৈ সাহিত্যৰ মাজেৰেহে প্ৰতিফলিত হোৱা দেখা যায়। ঊনবিংশ শতিকাৰ শেষ তথা বিংশ শতিকাৰ আৰম্ভণিৰ কালছোৱাত নাৰীবাদী আন্দোলনৰ প্ৰভাৱে ভাৰতবৰ্ষৰ সমাজত নাৰীৰ স্থান, নাৰী ভাবনা সম্পৰ্কীয় বিভিন্ন প্ৰশ্ন জনসাধাৰণৰ মনত জগাই তুলিছিল। এনে চিন্তা-চৰ্চাক কেন্দ্ৰ কৰিয়েই ভাৰতীয় সাহিত্যত নাৰীকেন্দ্ৰিক বিভিন্ন সাহিত্যৰ সৃষ্টি হৈছে। অসমীয়া সাহিত্যতো এই সময়ছোৱাৰ পৰাই নাৰী কেন্দ্ৰিক বিভিন্ন উপন্যাস, নাটক, চুটিগল্প আদি সাহিত্যৰ সৃষ্টি হবলৈ ধৰে।

**মনোৰমা দাস মেধিৰ গল্পত নাৰী চৰিত্ৰৰ চিত্ৰণ**

নৰ-নাৰীৰ চিত্ৰ সাহিত্যত সদ্য বিদ্যমান। মনোৰমা দাস মেধিয়ে তেওঁৰ গল্পসমূহত নাৰী, পুৰুষ উভয় চৰিত্ৰকে প্ৰাধান্য দিয়া দেখা যায় যদিও তেওঁৰ গল্পত নাৰী চৰিত্ৰৰ এক বিশেষ ভূমিকা পৰিলক্ষিত হয়। নাৰী জীৱনৰ বিভিন্ন দিশ তেওঁ অতি বিচক্ষণতাৰে মৰ্মস্পৰ্শী ৰূপত উপস্থাপন কৰিছে । মনোৰমা দাস মেধিৰ গল্পৰ নাৰী অৰ্থনৈতিক আৰু সামাজিক দৃষ্টিকোণৰ ফালৰ পৰা বঞ্চিতা আৰু নিষ্পেষিতা হৈ ৰৈছে। আকৌ সেই নাৰীয়েই কেতিয়াবা পৰম্পৰাগত মূল্যবোধৰ বিপৰীতে থিয় দি প্ৰতিবাদ সাব্যস্ত কৰিছে।

'শিকলি' গল্পত অবিবাহিতা, বিবাহিতা আৰু বিধৱা নাৰীয়ে সমাজত সম্মুখীন হোৱা বিভিন্ন সমস্যা দাঙি ধৰা হৈছে। লগতে এটা প্ৰজন্মৰ পৰা আন এটা প্ৰজন্মলৈ প্ৰবাহিত হৈ অহা অৱদমিত নাৰীসত্বাৰ স্বৰূপ গল্পটিত প্ৰকাশিত হৈছে। পুৰুষতান্ত্ৰিক সমাজ ব্যৱস্থাত নাৰী পদে পদে থমকি ৰ'বলগা হয়। তাৰেই জ্বলন্ত উদাহৰণ মাধন। অনবৰত গাৰ ছাঁটোৰ দৰে আইতাকৰ লগত গোঁসাইঘৰ, শাকতলী কৰি ফুৰা মাধন; জোনাক ৰাতি আইতাকৰ মুখৰ পৰা সাধুকথা শুনি টোপনি যোৱা মাধন এসময়ত যৌৱন প্ৰাপ্ত হ'ল। সৰু সৰু দায়িত্ব মূৰ পাতি ল'ব জনা হ'ল। দায়িত্ববোধ বুজিয়েই তাই আইতাকৰ আদেশলৈ বাট নাচাই তুলসীজোপাৰ পৰা পাত এসোপা ছিঙি আনি আইতাকৰ মুখৰ আগত তুলি ধৰিলে। কাণ্ড দেখি আইতাক উচপ খাই উঠিল আৰু মাধনক পাৰেমানে গালি পাৰিবলৈ ধৰিলে।

"তোক কোনে কৈছে বাৰু তুলসী, ছিঙিবলৈ ?
ইমানজনী হৈছহি তুলসী ছিঙিব নাপায় বুলি নাজান" [২]

মাধনৰ গা-মন যেন জীৱনৰ প্ৰথমডাল শিকলিৰে বান্ধ খাই পৰিল। এই যে বান্ধ খাই পৰিল, সেই বন্ধনৰ পৰা আৰু মাধন মুক্ত হ'ব নোৱাৰিলে। অবিবাহিত অৱস্থাতে প্ৰথমে আইতাকৰ পৰা, পিছত মাকৰ পৰা, সেই সমাজখনৰ পৰা বিভিন্ন বাধা নিষেধৰ মাজেৰে এক অৱদমিত নাৰীসত্তা হৈ জীয়াই থাকিবলগা হ'ল। সকলোৰে আগত তাইৰ ভাল লগা লগা বেয়ালগাৰ হিচাপ নাইকিয়া হৈ পৰিল। গল্পকাৰৰ ভাষাত -

"প্ৰতিটো খোজতে তাইৰ ভৰি দুখন যেন কিহবাই জপটিয়াই ধৰিলে। খোজ দিওঁ বুলি দিব নোৱাৰি। ভৰিৰ ঠিক সৰু গাঁঠিটোতে যেন শিকলি এডাল মেৰ খাই আছে। আগে- পাছ, তল- ওপৰ সকলো পিনে চাই-চিটি এখোজ এখোজকৈ বাট বুলোতে তাইৰ মুকলিমুৰীয়া মনটো সঁজাত বন্দী চৰাই যেন হ'ল"।[৩]

বিবাহ নাৰী জীৱনৰ এক দুৰ্বোধ্য অধ্যায়। তথাকথিত সমাজ ব্যৱস্থাত বৈবাহিক জীৱনে নাৰীৰ স্বাধীনতা সম্পূৰ্ণৰূপে নাইকিয়া কৰি পেলায়। নতুন ঘৰ এখনত নতুন পৰিৱেশত এগৰাকী নাৰীয়ে সকলোৰে মনবোৰ ভৰাই তুলিবলৈ নিজৰ মনটোক উছৰগা কৰিবলগীয়া হয়। মাধনৰো বিবাহিত জীৱন আৰম্ভ হ'ল। শাহু-শহুৰ, জা, ননদ, আদিৰে ভৰি থকা ঘৰখনত তাইৰ হাতে ভৰিয়ে লাগি থকা শিকলিডালে আৰু টানকৈ মেৰিয়াই ধৰিলে।

অবিবাহিত আৰু বিবাহিত জীৱনতকৈ নাৰীৰ বৈধব্য যন্ত্ৰণা অধিক অসহ্যকৰ। এফালে স্বামীক হেৰুওৱাৰ বেদনা যেন এটা যুগৰ অৱসান আৰু আনফালে সমাজে বান্ধি দিয়া বাধাৰ প্ৰাচীৰ, কটু কথা, ককৰ্থনা। মাধনৰো সেই একেই অবস্থা হ'ল। মূৰৰ ওপৰেদি যেন এটি যুগ পাৰ হৈ গ'ল; তাই বিধৱা হ'ল। শিকলিৰ গাঠি আৰু দৃঢ় হৈ পৰিল। গল্পকাৰৰ ভাষাত –

"শিকলিৰ পিছত শিকলিৰ গাঁঠি। কোনোবা অদৃশ্য হাতে মেৰিয়াই দিয়া কঠিন লৌহ বন্ধন। সেই কাঠিন্যৰ ভৰত মাধনৰ চকুৰ এসময়ৰ উজ্জ্বলতা, মুখৰ নিমজ কোমলতা সকলোবোৰ বিবৰ্ণ হৈ গল"।[৪]

কিন্তু লাহে লাহে মাধনৰ জীৱনৰ পৰা সেই শিকলিৰ বান্ধোন নাইকিয়া হৈ আছিল। তাই যেন সমাজৰ নীতি নিয়ম; ঘাত-প্ৰতিঘাতৰ মাজেৰে জীৱনৰ অন্তিম সময়ও উপনীত হোৱা এটি সাধাৰণ নাৰীসত্ত্বা।

সমাজে বান্ধি দিয়া ৰীতি-নীতি, পৰম্পৰাৰ বশৱৰ্তী নাৰী সকলো সময়তে অৱহেলিত হৈ ৰৈছে যদিও কেতিয়াবা আকৌ সেই নাৰীয়ে অন্যায় - অবিচাৰৰ বিৰুদ্ধে প্ৰতিবাদ কৰি উঠিছে। সেই প্ৰতিবাদী কণ্ঠই সাধাৰণ নাৰীসত্বাক অসাধাৰণত্ব প্ৰদান কৰিছে। 'শিকলি' গল্পটিতো নাৰী জীৱনৰ সামাজিক সমস্যাবোৰৰ লগতে সমাজত চলি অহা ৰক্ষণশীলতাৰ শিকলি ছিঙি নাৰীৰ পূৰ্ণ স্বাধীনতাৰ উন্মেষ ঘটিছে। মাধনেও নিজৰ জীৱনত পাই অহা সকলো বন্ধন ছিঙি নাৰী মুক্তিৰ বাবে দ্বন্দ্ব কৰিছে।

নাতিনীয়েক আইটিয়ে তুলসী পাত ছিঙিব খোজাত প্ৰথমতে মাধনে বাধা দিছে। পৰম্পৰাগত ভাবে চলি অহা ৰীতিয়ে মাধনক এনে কৰিবলৈ বাধ্য কৰাইছে। কিন্তু পিছ মুহূৰ্ততে মাধনৰ মানৱ সত্তাই সকলোবোৰ বাধাৰ প্ৰাচীৰ অতিক্ৰম কৰি পৰম্পৰাৰ বিৰুদ্ধে প্ৰতিবাদ কৰি উঠিছে। আইটিক তুলসী পাত ছিঙিব দি তাই তাইৰ দেহত জৰাজীৰ্ণ হৈ লাগি থকা শিকলি ডাল ভাঙি ছিঙি চূড়মাৰ কৰি দিব বিচাৰিছে।

"ওৰে জীৱন খাপ খাই লাগি থকা লোহাৰ বেৰী পাত জীৰ্ণ দেহৰ পৰা সোলোকাই এই কিশোৰী কোমল দেহটোত তাই নিজ হাতে পিন্ধাই দি খুজিছে। কিহৰ বাবে? এক গ্লানিময়, বিষাদময় পৰম্পৰা ৰক্ষা কৰিবৰ বাবে? শিকলিডাল পিন্ধাই দিব নে ছিঙি পেলাব আইতা ! আইটিক আৰু একো সোধাৰ আৱকাশ নিদি মাধনে দৃঢ় কণ্ঠে উচ্ছাৰণ কৰিলে -'ছিঙি দে'।[৫]

"নাৰীবাদীসকলৰ মতে নাৰীৰ সমানাধিকাৰৰ প্ৰকৃত অৰ্থ হল নাৰী-পুৰুষৰ মাজত মানসিক আৰু শাৰীৰিকভাৱে কোনো প্ৰভেদ মানি নোলোৱা। কাৰণ তেওঁলোকৰ মতে নাৰী আৰু পুৰুষ উভয়েই মানৱীয় গুণসম্পন্ন ব্যক্তি। সেই হিচাপে প্ৰত্যেকৰে নিজৰ অস্তিত্ব আৰু স্বাধীন সত্তা আছে"।[৬] কিন্তু পুৰুষতান্ত্ৰিক সমাজ ব্যৱস্থাই নাৰীক পুৰুষৰ, সমানে স্বাধীন মানৱসত্তা হিচাবে স্বতন্ত্ৰতা নিদিয়ে। যাৰ বাবে নাৰী যুগে যুগে পুৰুষৰ শোষণৰ বলি হ'ব লগা হৈছে। আজিৰ সমাজতো পুৰুষে নাৰীক পণ্য সামগ্ৰীৰ দৰে জ্ঞান কৰে; নাৰীক নিজৰ মনোৰঞ্জনৰ আহিলা হিচাপে ব্যৱহাৰ কৰে; পুতলাৰ দৰে নিজক হাতৰ মুঠিত ৰাখি নচুৱাব বিচাৰে। ইয়াৰে পূৰ্ণ প্ৰতিফলন ঘটিছে 'বাটৰ নাট', 'গোঁসানী' আদি গল্পত।

'বাটৰ নাট' গল্পটিত এগৰাকী অন্তঃসত্ত্বা মহিলাৰ যন্ত্ৰণাকাতৰ পৰিস্থিতি আৰু সমাজৰ একাংশ লোকে এই অৱস্থাক নিজৰ মনোৰঞ্জনৰ আহিলাৰূপে ব্যৱহাৰ কৰা পৰিলক্ষিত হয়। মহিলা গৰাকীয়ে এখন আহল-বহল কাপোৰেৰে আবুৰ কৰি ৰখা শৰীৰটো চাবলৈ চেঙেলীয়া জাক উদ্যত হৈ পৰিছে।

"মুখখন একদম শ্ৰীদেৱীৰ বে আৰে য়াৰ, মুখখন দেখিলে কি হ'ব? মস্ত বিছনা-চাদৰখনেৰে ফিগাৰটো ঢাকি বৰবাদ কৰি দিছে"।[৭]

মহিলাগৰাকীক উদ্দেশ্যি ডেকাচামে কৰা অশালীন কটু মন্তব্যই উচ্ছৃংখল যুৱ মানসিকতাৰ স্বৰূপ উদঙাই তুলিছে। গল্পটিত নিপীড়িত নাৰীগৰাকীৰ অন্তঃসাৰশূন্যতাৰ লগতে শিক্ষিতা, আধুনিক তথা ৰাজনৈতিকভাৱে ক্ষমতাশালী নাৰীৰ প্ৰতি পুৰুষৰ মনোভাৱ গল্পকাৰে ব্যক্ত কৰিছে-

"তেওঁতো সমাজ-সেৱিকা শইকীয়ানী বাইদেউ। মেল-মিটিঙৰ কামত বাহে-ৰেলে উঠি অ'লৈ-ত'লৈ গৈয়েই থাকে। তেওঁকনো কোনে চিনি নাপায়" ?[৮]

পুৰুষ শাসিত সমাজত মূৰ তুলি চলিবলৈ নাৰীয়ে ভয় কৰে। সেই ভয়েই নাৰীক মানৱসত্তা হিচাপে গঢ়ি তোলাত ব্যাঘাত জন্মায়। এফালে চালে শাৰীৰিক যন্ত্ৰণা আৰু চাৰিওফালে আৱৰি থকা মানুহখিনিৰ পৰা পোৱা ইতিকিং, ঠাট্টা-মস্কৰাই অন্তঃসত্বা নাৰীগৰাকীক ক্ৰমান্বয়ে অস্থিৰ কৰি তুলিলে। অৱশেষত তাই ৰাস্তাৰ মাজতে সন্তান প্ৰসৱ কৰি মৃত্যুক আঁকোৱালি ল'ব লগা হয়। সেইখিনি সময়তো মানৱতাৰ খাতিৰত কোনো এজন মানুহ সন্তানটো বচাবলৈ তাইৰ কাষলৈ যোৱা নাই। সকলোৱে কেৱল নাক কোচাই চাৰিও ফালে সিঁচৰতি হৈ পৰিল। অৱশেষত ঠেলা টানি পৰিয়াল পোহপাল দিয়া দুখু ঠেলাৱালাই কেইটামান টকাৰ আশাত তাইৰ মৃতদেহটো ঠেলাত তুলি নিবলৈ সাজু হ'ল। ভীৰ ফালি দুখু ঠেলাৱালা তাইৰ কাষলৈ গৈছে যদিও কোনোবাখিনিত দুখুৰ মনতো সেই পুৰুষসত্তা জাগৃত হৈ উঠিছে। তাইৰ মেখেলাখন গুচাই দিবলৈ সকলোৱে কোৱাত তাৰ মন প্ৰাণ শিহৰিত হৈ পৰিছে।

"সিখন কাপোৰ মানে মেখেলাখন। কথা হ'ল নেকি? পুৰুষ মানুহে কিয়বা মেখেলা চুব? তাতে সেইখন অলপ তেজত ডুবি আছে নেকি" ?[৯]

নাৰীবাদীসকল মতে নাৰী কেৱল যৌনসত্তাই নহয় নাৰীও মানৱীয় প্ৰাণী আৰু প্ৰতিগৰাকী নাৰীয়ে ব্যক্তি স্বাধীনতা আছে বা থকা উচিত। "মেৰী উইলষ্টোনক্ৰাফ্টৰ (The vindication of the Rights of woman, ১৭৯২) গ্ৰন্থত পোৱা যায় যে নাৰীবাদ ৰক্ষণশীল সমাজ সম্পৰ্কে যুক্তিভিত্তিক বিশ্লেষণ আৰু দুঃসাহসিক সিদ্ধান্ত। নাৰীক যে পুৰুষে সদায় একোটা যৌনসত্তা বুলিহে জ্ঞান কৰে, সেয়া ভুল বুলি কৈ উইলষ্টোনক্ৰাফ্টে এই গ্ৰন্থত মত প্ৰকাশ কৰিছে যে নাৰী যৌনসত্তা নহয়– নাৰীও মানৱ সত্তাহে। মানৱ সত্তা হিচাপে নাৰীও পুৰুষৰ দৰে যুক্তিবাদী, মানৱসত্তা হিচাপে তেওঁ কেৱল আৱেগিক নহয়। যৌন আৱেগিক সত্তা নহয় বাবে, যুক্তিবাদী মানৱসত্তাহে কাৰণে, নাৰীয়েও পুৰুষৰ জীৱনৰ পৰিপূৰ্ণতা বিচাৰে। আৰু নাৰীৰ জীৱনৰ সেই পৰিপূৰ্ণতা কেৱল বিবাহ, স্বামীৰ সেৱা আৰু সন্তান উৎপাদনতে নহয়। নাৰীৰ জীৱনৰ পৰিপূৰ্ণতাও আহে পুৰুষৰ দৰে এইবোৰৰ ওপৰৰ আৰু কোনো সাধনাত"।[১০] কিন্তু যুগ যুগ ধৰি পুৰুষৰ আগত নাৰী কেৱল যৌনসত্তা হিচাপে বিবেচিত হৈ আহিছে। পুৰুষ তান্ত্ৰিক সমাজ ব্যৱস্থাত নাৰী কেৱল পুৰুষৰ উপভোগৰ সামগ্ৰী হিচাপে ব্যৱহৃত হৈ আহিছে। মনোৰমা দাস মেধিৰ 'গোঁসানী' গল্পত ইয়াৰ স্পষ্ট প্ৰতিফলন ঘটা দেখা যায়। মুৰুলীধৰ চৌধুৰী সম্ভ্ৰান্ত মৌজাদাৰ পৰিয়াল তথা

অঞ্চল এটাৰ মুৰব্বীস্বৰূপ। গাঁৱৰ সকলোৱে তেওঁক সমীহ কৰি চলে। কিন্তু সেইগৰাকী চৌধুৰীয়ে নাৰীক ভোগৰ সামগ্ৰী হিচাপে ব্যৱহাৰ কৰিছে। সুস্থ-সবল এগৰাকী পত্নী, তিনিটাকৈ সন্তান, লগুৱা লিকচৌৰে পৰিপূৰ্ণ ঘৰ এখনত বসবাস কৰিও চৌধুৰীৰ মনত নাৰীৰ প্ৰতি একধৰণৰ দুৰ্বলতা সদা বিদ্যমান। চৌধুৰীৰ দ্বিতীয় পত্নীগৰাকী তেনে দুৰ্বলতাৰে ফলস্বৰূপ। কাষত কলহ লৈ পানী আনিবলৈ যাওঁতে ৰূপ-যৌৱন দেখি আকৰ্ষিত হৈ চৌধুৰীয়ে দ্বিতীয় বিবাহ কৰায়। চৌধুৰীৰ এনে দুৰ্বল স্বভাৱ সম্পৰ্কে তেওঁৰ প্ৰথম পত্নী ইতিমধ্যে জ্ঞাত–

"মফস্বললৈ য়োৱা বাটত তাই পেখম ধৰি ফুৰিছিল। জুইৰ কাষত ঘিউ। গলিবলৈ কিমান পৰ? বলিৰ তেজেৰে ফোঁট লোৱা ঘৰৰ জীয়ৰী বুলি জাতি বংশই কম আপত্তি কৰিছিলনে"।[১১]

সদ্য বিবাহিতা দ্বিতীয়া পত্নীয়ে চৌধুৰীৰ অনুপস্থিতিত অকলশৰীয়া অনুভৱ কৰে। গৰ্ভৱতী সময়ছোৱাত নাৰী এগৰাকীৰ এনে অৱস্থা হোৱাটো স্বাভাৱিক। কিন্তু নাৰী ভোগবিলাসী চৌধুৰীৰ মনত তেনে কোনো দায়িত্ববোধ নামেই। যাৰ বাবে তেওঁ হাতী বিচাৰি ভূটানলৈ যাওঁতে এগৰাকী অচনাকি ভূটীয়া ছোৱালীক মানসপটত আঁকি লৈ আহিছে। গল্পটোৰ শেষত, সেই ভূটীয়া ছোৱালীজনীক তেওঁ গোঁসানীৰূপত প্ৰতিষ্ঠা কৰিছে। নাৰীক ভোগৰ সামগ্ৰী হিচাপে ব্যৱহাৰ কৰা মুৰুলীধৰ চৌধুৰীয়ে সেই নাৰীকে গোঁসানীৰূপত স্থাপন কৰা কাৰ্যই গল্পটিক ব্যঞ্জনাধৰ্মী কৰি তুলিছে।

মনোৰমা দাস মেধিৰ গল্পত নাৰী মনৰ অনুভূতি বিশেষকৈ নিপীড়িত নাৰীৰ যন্ত্ৰণা স্পষ্ট ৰূপত ফুটি উঠিছে। সমাজত নাৰীৰ অতি নিম্ন স্থান, নাৰীমনৰ হতাশা আৰু দ্বন্দ্ব তথা অৱহেলিত নাৰীৰ নিঃসঙ্গতা আদি তেওঁৰ গল্পৰ কেন্দ্ৰীয় বিষয়। হতাশা আৰু নিঃসঙ্গতাৰে পূৰ্ণ তেনে এটি নাৰী চৰিত্ৰ হৈছে 'সপোনৰ সোণাৰু' গল্পৰ লখিমী দেৱী। গল্পটিত বাৱন্ন বছৰীয়া লখিমী দেৱী পৰিয়াল- পৰিজন তথা সমাজৰ পৰা অৱহেলিত হোৱাৰ চিত্ৰ ফুটি উঠিছে। জীৱনৰ আদি অৱস্থিতি লখিমী দেৱীয়ে সকলো কৰ্তব্য নিষ্ঠাৰে পালন কৰি আহিছে। আনকি বিচনাত পৰি থকাৰ সময়তো তেওঁৰ মনত নিজৰ কৰ্তব্যসমূহ সপোন হৈ দেখা দিছে –

"এই শয্যাশায়ী অৱস্থাতো তেওঁৰ মনটো কৰ্তব্য সজাগ। পৰিচিত কৰ্মসূচীৰে সৈতে এৰি অহা দিনবোৰে একো একোটা সপোনৰ ৰূপ লৈ তেওঁৰ মনোজগতত ভুমুকি মাৰেহি"।[১২]

এগৰাকী নাৰীয়ে দিনৰ দিনটো আনৰ ভাললগা বেয়ালগাৰ প্ৰতি গুৰুত্ব দি দি ওৰেটো জীৱন পাৰ কৰি দিয়ে। কিন্তু জীৱনৰ কোনো এক মুহূৰ্ততো সেইগৰাকী নাৰীৰ ভাললগা বেয়ালগাৰ প্ৰতি গুৰুত্ব দিয়াটো কোনেও প্ৰয়োজনবোধ নকৰে।

সেয়ে শয্যাশায়ী অৱস্থাত মাকে কি খাই ভালপায় ; কেনেকৈ শুশ্ৰূষা কৰিলে মাক সুস্থ হৈ উঠিব তাকে লৈ পুত্ৰ-বোৱাৰী , জী-জোঁৱাই সকলোবোৰ চিন্তিত হৈ পৰিছে। লখিমী দেৱীৰ কণিষ্ঠ পুত্ৰ অজানৰ মুখেৰে ওলোৱা এষাৰি বাক্যই নাৰী যে সমাজত, পৰিয়ালত পদে পদে অৱহেলিত হৈ আহিছে তাৰ প্ৰমাণ দিছে-

"নোৱাৰো ভাই ক'ব। মাই কি ভালপায় কি বেয়া পায়, কেনেকৈনো জানিম! নিজে ৰান্ধে, নিজে বাঢ়ে, নিজে লৈ খায়। চব মাৰ হাততেইতো"।[১৩]

গল্পটিত দুই পুত্ৰ-বোৱাৰী, জী- জোঁৱাই, ওচৰ-চুবুৰীয়া, আত্মীয় স্বজনে লখিমী দেৱীক চাৰিওফালৰ পৰা আৱৰি ৰাখিছে যদিও তেওঁ প্ৰতি পলে পলে নিঃসঙ্গ অনুভৱ কৰিছে। জীৱনত লাভ কৰা অৱদমন, অৱহেলা আদিয়ে তেওঁৰ এই নিঃসঙ্গতাৰ মূল কাৰণ।

আলোচ্য গল্পকেইটাৰ উপৰিও মনোৰমা দাস মেধিৰ অন্য বহুকেইটা গল্পত নাৰীজনিত সমস্যা তথা প্ৰতিবাদী নাৰী কণ্ঠ শুনা যায়। তাৰ ভিতৰত 'উম', 'সম্ভাব্য কাল', 'দুৰ্গা', 'কেতেকীৰ সাধু', 'বিস্ফোৰণৰ পিছত', 'বিক্ষিপ্ত বাস্তৱ', 'ক্ৰান্তি কালৰ কথা' আদি অন্যতম।

**সামৰণিঃ**

নাৰীয়ে নাৰীক সাহিত্যত প্ৰকাশ কৰাত বিশেষ সুযোগ আৰু সুবিধা থাকে। মনোৰমা দাস মেধিৰ গল্পতো সেয়া প্ৰত্যক্ষ কৰা যায়। পুৰুষ লেখকৰ দৃষ্টিভংগীতকৈ নাৰী লেখকৰ দৃষ্টিভংগী স্বাভাৱিকতে সুকীয়া। দাস মেধিৰ গল্পত নাৰীৰ সমস্যা উপলব্ধিৰ গভীৰতা প্ৰত্যক্ষ কৰা যায়। তেওঁৰ গল্পত অবিবাহিতা, বিবাহিতা আৰু বিধৱা তিনিওটা স্তৰৰ নাৰীৰ জীৱনে প্ৰাধান্য লাভ কৰিছে। অবিবাহিতা নাৰী চৰিত্ৰৰ ভিতৰত 'অপৰাজিতাৰ সাধু' গল্পৰ জিতা চৰিত্ৰৰ আত্মহত্যাৰ প্ৰচেষ্টা আৰু অন্যায়ৰ বিৰূদ্ধে প্ৰতিবাদী কণ্ঠস্বৰ ভাহি আহিছে। 'ক্ৰান্তি-কালৰ কথা' গল্পত অবিবাহিত অৱস্থাতে গৰ্ভৱতী হৈ সন্তান জন্ম দিয়া প্ৰীতিৰ মনোদৈহিক বিষণ্ণতা, 'দুৰ্গা' গল্পত লাহী কল্পনা আৰু বিনীতা নামৰ তিনিগৰাকী যোড়শী গাভৰু পুৰুষৰ দ্বাৰা অপমানিত, লজ্জিত হোৱা কাহিনী অংকিত হৈছে। কল্পনা আৰু বিনীতাই অন্যায়ৰ বিৰুদ্ধে প্ৰতিবাদ নকৰি পৰম্পৰাগত অৱলা নাৰীৰ পৰিচয় দিয়াৰ বিপৰীতে লাহীয়ে কিন্তু অন্যায় -অবিচাৰৰ বিৰুদ্ধে মাত মাতি প্ৰতিবাদী নাৰী হিচাপে নিজকে গঢ়ি তুলিছে।

বিবাহিতা নাৰীৰ দুখ যন্ত্ৰণাইয়ো তেওঁৰ গল্পত স্থান পাইছে। 'শিকলি' গল্পৰ মাধন, 'গোঁসানী' গল্পৰ মূৰুলীধৰ চৌধুৰীৰ দুয়োগৰাকী পত্নী আদি তেনে চৰিত্ৰ। বিধবাসকলৰ সহ্যাতীত দুখ যন্ত্ৰণাও দাস মেধিৰ গল্পত ফুটি উঠিছে। 'জয়াৰ জয়াল শাঁখা' গল্পৰ জয়া আৰু নীলি, 'শিকলি' গল্পৰ মাধন, 'চাউল, চাবোন আৰু চাৰুলতাৰ সাধু'ৰ চাৰুলতা, 'ৰাণীৰ গা ধোৱা ঘাট' গল্পৰ বিনীতা তামুলী, 'সপোনৰ সোণাৰু' গল্পৰ জৰিয়তে বৈধব্য জীৱনৰ দুখ-যন্ত্ৰণা কাৰুণ্য তথা নিঃসংগতা আদি ফুটি উঠিছে।

দাস মেধিৰ গল্পত পৰম্পৰাগত বা শ্বাশ্বত নাৰীৰ সমান্তৰালভাৱে আধুনিক নাৰীৰো সমাবেশ দেখা যায়। 'মাটিৰ মানুহ' গল্পৰ নন্দিতা, 'নবাগত' গল্পৰ জোনালী হাজৰিকা, 'ৰাণীৰ গা ধোৱা ঘাট' গল্পৰ বিনীতা তামুলী আদি চৰিত্ৰৰ চিন্তা-ধাৰাত আধুনিক দৃষ্টিভংগী দেখা যায়।

**প্ৰসঙ্গ সূত্ৰ**

১। শৰ্মা, গোবিন্দ প্ৰসাদ। "নাৰীবাদ আৰু অসমীয়া উপন্যাস"। গুৱাহাটীঃ অসম প্ৰকাশন পৰিষদ; ২০০৯। পৃষ্ঠা-ৰ

২। ডেকা, হেমন্ত। "মনোৰমা দাস মেধিৰ নিৰ্বাচিত গল্প সংকলন বালিত এখোজ"। ধিং নগাঁও : সৰস্বতী ডি. এন প্ৰকাশন। ২০১৫। পৃষ্ঠা-১০।

৩। প্ৰাগুক্ত গ্ৰন্থ, পৃষ্ঠা- ১১

৪। প্ৰাগুক্ত গ্ৰন্থ, পৃষ্ঠা- ১১

৫। প্ৰাগুক্ত গ্ৰন্থ, পৃষ্ঠা- ১৩

৬। দেৱী, মীৰা। "নাৰীবাদী আন্দোলন আৰু অসমীয়া মহিলা ঔপন্যাসিকা"। অসমীয়া সাহিত্যৰ বুৰঞ্জী। ষষ্ঠ খণ্ড [পৰিৱৰ্ধিত সংস্কৰণ]। সম্পাঃ। বৰগোহাঞি হোমেন। গুৱাহাটী ঃ আনন্দৰাম বৰুৱা ভাষা কলা-সংস্কৃতি সংস্থা, ২০১২ [১৯৯৩]। পৃষ্ঠা-১৭৭।

৭। দাস মেধি, মনোৰমা। সপোনৰ সোণাৰু। গুৱাহাটী ঃ বনলতা, ২০০৩। পৃষ্ঠা- ৮৭।

৮। প্ৰাগুক্ত গ্ৰন্থ। পৃষ্ঠা- ৮৯।

৯। প্ৰাগুক্ত গ্ৰন্থ। পৃষ্ঠা- ৯২।

১০। শৰ্মা, গোবিন্দ প্ৰসাদ। "নাৰীবাদ আৰু অসমীয়া উপন্যাস"। গুৱাহাটীঃ অসম প্ৰকাশন পৰিষদ; ২০০৯। পৃষ্ঠা-৩-ছ্ৰ

ৰৰ। ডেকা, হেমন্ত। "মনোৰমা দাস মেধিৰ নিৰ্বাচিত গল্প সংকলন বালিত এখোজ"। ধিং নগাঁও : সৰস্বতী ডি. এন প্ৰকাশন। ২০১৫। পৃষ্ঠা- ১০৭।

১২। প্ৰাগুক্ত গ্ৰন্থ, পৃষ্ঠা- ৪৭

১৩। প্ৰাগুক্ত গ্ৰন্থ, পৃষ্ঠা- ৫১

**সহায়ক গ্ৰন্থপঞ্জী**

**মুখ্য উৎসঃ**


ডেকা, মহন্ত, সংক আৰু সম্পা.। মনোৰমা দাস মেধিৰ নিৰ্বাচিত গল্প সংকলন বালিত এখোজ। সৰস্বতী ডি . এন প্ৰকাশন, নগাঁও। ২০১৫। মুদ্ৰিত।

দাস মেধি, মনোৰমা। সপোনৰ সোণাৰু। বনলতা, গুৱাহাটী। ২০০৩। মুদ্ৰিত।


**গৌণ উৎসঃ**


গোস্বামী, ত্ৰৈলোক্য নাথ। আধুনিক গল্প সাহিত্য। বাণী প্ৰকাশ প্ৰাইভেট লিমিটেড, গুৱাহাটী। ২০১৩ মুদ্ৰিত।

তামুলী, গীতাশ্ৰী। সাহিত্য আৰু সমালোচনা। আখৰ প্ৰকাশ, গুৱাহাটী। ২০১৫। মুদ্ৰিত।

দত্ত, উদয়। চুটিগল্প। পুনৰ্মুদ্ৰণ। ষ্টুডেণ্টচ ষ্ট'ৰচ্, গুৱাহাটী। ২০১২। মুদ্ৰিত।

দত্ত, বিনীতা, সম্পা.। কুৰি শতিকাৰ অসমীয়া সাহিত্য। সদৌ অসম লেখিকা সমাৰোহ সমিতি, যোৰহাট। ২০১২। মুদ্ৰিত।

দেৱী, সন্ধ্যা। নাৰীঃ বন্ধন আৰু মুক্তি। গুৱাহাটী: অসম প্ৰকাশন পৰিষদ, ২০০৭। মুদ্ৰিত।

বৰগোহাঞি, হোমেন, সম্পা। অসমীয়া সাহিত্যৰ বুৰঞ্জী, ষষ্ঠ খণ্ড। আনন্দ ৰাম বৰুৱা ভাষা কলা সংস্কৃতি সংস্থা, গুৱাহাটী। ২০১২ [১৯৯৩]। মুদ্ৰিত।

বৰদলৈ, নৰকান্ত। অসমীয়া সাহিত্য আৰু মহিলা লেখক। ষ্টুডেণ্টচ্ ষ্ট'ৰচ্, গুৱাহাটী। ২০০৮। মুদ্ৰিত।

বৰুৱা, প্ৰহ্লাদ কুমাৰ। অসমীয়া চুটিগল্প অধ্যয়ন। পুনৰ্মুদ্ৰণ। বনলতা,গুৱাহাটী। ২০২১। মুদ্ৰিত।

বৰা, অপূৰ্ব, সম্পা। অসমীয়া চুটিগল্পৰ ঐতিহ্য আৰু বিৱৰ্তন। যোৰহাটঃ যোৰহাট কেন্দ্ৰীয় মহাবিদ্যালয় প্ৰকাশন কোষ। ২০১২। মুদ্ৰিত।

শৰ্মা, গোবিন্দ প্ৰসাদ। নাৰীবাদ আৰু অসমীয়া উপন্যাস। অসম প্ৰকাশন পৰিষদ, গুৱাহাটী। ২০০৯। মুদ্ৰিত।